# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-06-2025
**Time :** 1845 HRS

# ***Assamese Evening Bulletin***
## Headlines
-------------------

১। আমেৰিকাৰ বিশেষজ্ঞৰ সহায়ত অ' এন জি চিৰ ৰীগৰ গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে কাম কৰি থকা বুলি অ' এন জি চিৰ কৰ্তৃপক্ষৰ প্ৰকাশ।

২। উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ অধীনৰ ১০০ শতাংশ ৰে'লপথ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হোৱাৰ দিশে আগবাঢ়িছে বুলি মুখ্য জনসম্পৰ্কৰক্ষী বিষয়াৰ মন্তব্য।

৩। গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত আজি অম্বুবাচীৰ মহাযোগ আৰম্ভ।

*আৰু*

৪। ভাৰত আৰু ইংলেণ্ডৰ মাজত চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি তৃতীয় দিনা ইংলেণ্ডৰ ৬ উইকেটৰ বিনিময়ত ৩৪৯ ৰান সংগ্ৰহ।

ooooo

শিৱসাগৰৰ ভটিয়াপাৰত থকা অ' এন জি চিৰ ৰীগৰ পৰা যোৱা ১১ দিনে হৈ থকা গেছ নিৰ্গমন সম্পৰ্কত প্ৰতিষ্ঠানটোৰ প্ৰবন্ধক কে এন চাংমাই সংবাদ মাধ্যমক সম্বোধন কৰি সুৰক্ষাৰ সকলো নিয়ম মানি গেছ নিয়ন্ত্ৰণৰ চেষ্টা কৰি থকা বুলি জনায়। বিষয়াগৰাকীয়ে স্পষ্টকৈ কয়, যে ভাৰতীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞসকলৰ সহায়ত ঘটনাস্থলীত কাম চলি আছে। পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিবলৈ পৰৱৰ্তী কেপিং অভিযানৰ বাবে ৰীগটো সাজু কৰা হৈছে। গেছ নিৰ্গমন কেতিয়া নিয়ন্ত্ৰণলৈ আহিব সেই সম্পৰ্কে এতিয়াও নিশ্চিতকৈ ক'ব নোৱাৰি বুলি উল্লেখ কৰি বিষয়াগৰাকীয়ে শীঘ্ৰেই গেছ নিয়ন্ত্ৰণৰ বাবে কাম কৰি থকা হৈছে বুলি জনায়। ভটিয়াপাৰৰ বৰ্তমানৰ পৰিস্থিতি সন্দৰ্ভত আমাৰ সংবাদদাতা মুজাহিদ আলীয়ে এনেদৰে কয়––

**ভইচ (মুজাহিদ আলী)**

উল্লেখযোগ্য যে যোৱা ১১ দিনে ৰীগটোৰ পৰা হৈ থকা গেছ নিৰ্গমনে ভটিয়াপাৰ অঞ্চলটোত গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে। অ' এন জি চিৰ বিশেষ দল, প্ৰশাসন, দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষ সকলো মিলি পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে সষ্টম হৈ আছে।

ooooo

উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ অধীনৰ ১০০ শতাংশ ৰে'লপথ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হোৱাৰ দিশে আগবাঢ়িছে বুলি উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই জনাইছে।

উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ মুখ্য বৈদ্যুতিক অভিযন্তা সন্দীপ কুমাৰে শেহতীয়াকৈ সমগ্ৰ অঞ্চলটোত নতুনকৈ বৈদ্যুতিকীকৰণ হোৱা তিনিটা অংশত বিধিগত নিৰীক্ষণ সম্পূৰ্ণ কৰে। এই নিৰীক্ষণত বিদ্যুৎ ব্যৱহাৰৰ দ্বাৰা বাণিজ্যিক ৰে'ল সেৱাৰ বাবে প্ৰয়োজনীয় প্ৰস্তুতি আৰু সুৰক্ষা নিশ্চিতিৰ দিশটো বিশেষভাৱে লক্ষ্য ৰখা

হয়। মুখ্য অভিযন্তাগৰাকীয়ে প্ৰথমে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ লামডিং ডিভিজনৰ অধীনৰ নতুনকৈ বৈদ্যুতিকীকৰণ হোৱা ৪৪ কিলোমিটাৰ ৰে'লপথ নিৰীক্ষণ কৰে। ইয়াৰ পাছত ৰঙিয়া ডিভিজনৰ অধীনৰ আজাৰা-দুধনৈ সংযোগী ৯৯ কিলোমিটাৰ ৰে'লপথৰ বিধিগত নিৰীক্ষণ কৰা হয়। অভিযন্তাগৰাকীয়ে চূড়ান্ত পৰ্যায়ত তিনিচুকীয়া ডিভিজনৰ অধীনৰ নতুনকৈ বৈদ্যুতিকীকৰণ হোৱা দুলীয়াজান-তিনিচুকীয়া আৰু তিনিচুকীয়া-ডিব্ৰুগড় ৰে'লপথ নিৰীক্ষণ কৰে।

ooooo

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে আজি কোকৰাঝাৰত দলীয় নেতা আৰু কৰ্মীসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। দুদিনীয়া কোকৰাঝাৰ ভ্ৰমণৰ সময়ছোৱাত শ্ৰীগগৈয়ে পৰ্বতঝৰা বাছবাৰী, ফকিৰাগ্ৰাম আৰু শ্ৰীৰামপুৰলৈও যাব আৰু তাত তেওঁ দলৰ সাংগঠনিক স্থিতি শক্তিশালী কৰাৰ উদ্দেশ্যে তৃণমূল পৰ্যায়ৰ দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীগগৈয়ে কয় যে দলে সমাগত বি টি চি নিৰ্বাচন অত্যন্ত গুৰুত্ব সহকাৰে লৈছে। দলে তৃণমূল পৰ্যায়লৈ গৈ জনসাধাৰণৰ সৈতে সহযোগিতাৰে কাম কৰি দলীয় ভেটি শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে বুলি তেওঁ মন্তব্য কৰে। শ্ৰীগগৈয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সমালোচনা কৰি জনসাধাৰণৰ সমস্যাসমূহ সমাধান কৰাত তেওঁ সম্পূৰ্ণ ব্যৰ্থ হোৱা বুলি অভিযোগ তোলে। তৃণমূল পৰ্যায়ৰ বাস্তৱ সমস্যাসমূহৰ সৈতে ৰাজ্য চৰকাৰৰ কোনো ধৰণৰ সম্পৰ্ক নাই বুলি অভিযোগ উত্থাপন কৰি তেওঁ কয় যে চৰকাৰখনে তেওঁলোকৰ প্ৰতিশ্ৰুতি পূৰণতো সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে।

ooooo

নাবাৰ্ডৰ কৃষি খণ্ডৰ প্ৰচাৰ পুঁজিৰ অধীনত **বহনক্ষম খাৰিফ পিঁয়াজৰ খেতিৰ জৰিয়তে গ্ৰাম্য জীৱিকা বৃদ্ধি কৰা** শীৰ্ষক এটা বিস্তাৰিত প্ৰকল্প প্ৰতিবেদন ভিত্তিক প্ৰকল্প উত্তৰ-পশ্চিম যোৰহাট কৃষক উৎপাদক কোম্পানীৰ বাবে অনুমোদন দিয়া হৈছে। বৈজ্ঞানিক পদ্ধতিৰে পিঁয়াজৰ কৃষিৰ জৰিয়তে গ্ৰাম্য জীৱিকা শক্তিশালী কৰাৰ উদ্দেশ্যেৰে অনুমোদন দিয়া পুঁজিৰ সফল ৰূপায়ণৰ বাবে নাবাৰ্ড, জিলা কৃষি কাৰ্যালয় যোৰহাট, বেংক আৰু মুখ্য কৃষক তথা সদস্যক সামৰি প্ৰকল্প ৰূপায়ণ আৰু নিৰীক্ষণ সমিতি গঠন কৰা হৈছে। সমিতিখনে আজি কৃষক উৎপাদক কোম্পানীৰ সদস্যসকলৰ সৈতে মিলিত হৈ পৰৱৰ্তী কাৰ্যপন্থাৰ বিষয়ে আলোচনা কৰে।

ooooo

গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত আজি অম্বুবাচীৰ মহাযোগ আৰম্ভ হয়। আজি দিনৰ ২ বাজি ৫৬ মিনিটত অম্বুবাচীৰ প্ৰবৃত্তিৰ লগে লগে ৩ দিনৰ বাবে কামাখ্যা মন্দিৰৰ দুৱাৰ বন্ধ হয়। ২৬ জুনৰ পুৱা নিবৃত্তিৰ লগে লগে দেৱীস্নান, নিত্য পূজা সমাপনৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰা হ'ব। মা কামাখ্যাৰ দুৱাৰ বন্ধ হোৱাৰ পাছতে ভক্ত, সাধু-সন্ন্যাসীসকল দেৱীৰ আৰাধনাত মগ্ন হৈছে। একেসময়তে কামাখ্যা মন্দিৰৰ নামনিৰ পৰা মন্দিৰৰ প্ৰাংগণলৈকে হাজাৰ হাজাৰ ভক্তৰ সমাগম হৈছে। অম্বুবাচী মহাযোগ উপলক্ষে সন্ধিয়া পাণ্ডু ঘাটত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে অংশগ্ৰহণ কৰিব।

অম্বুবাচী মহাযোগ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসন, আৰক্ষী আৰু কামাখ্যা মন্দিৰ কৰ্তৃপক্ষই সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। নামনিৰ পৰা নীলাচল পাহাৰৰ ওপৰলৈ খোজকাঢ়ি উঠি যোৱা ভক্তৰ বাবে খোৱাপানীৰ ব্যৱস্থা কৰা হৈছে। একেদৰে ঠায়ে ঠায়ে স্বাস্থ্য শিবিৰ স্থাপন কৰা হৈছে। আইন শৃংখলা তথা তীৰ্থযাত্ৰী, ভক্তৰ সুৰক্ষাৰ বাবে মন্দিৰ চৌহদত ১২০ গৰাকী স্থায়ী সুৰক্ষা কৰ্মী, ৪০০

গৰাকী স্কাউট গাইড ১৫০ গৰাকী স্বেচ্ছাসেৱক, ২৫০ গৰাকী অস্থায়ী সুৰক্ষা কৰ্মী নিয়োগ কৰা হৈছে। দেৱালয়ৰ চৌপাশে ৫০০টা চিচিটিভি কেমেৰা স্থাপন কৰা হৈছে। আৰক্ষী প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি সন্ধিয়া ৬ বজাৰ পৰা ভক্তসকলে নীলাচল পাহাৰত প্ৰৱেশ কৰিব নোৱাৰিব। পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰ সংযোগী পথেৰে ভক্তৰ প্ৰৱেশত বাধা আৰোপ কৰা হৈছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অম্বুবাচী মহাযোগৰ প্ৰস্তুতি সম্পৰ্কত আজি সন্ধিয়া সাত বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। আকাশবাণীৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত কুমাৰ বৰাৰ সাক্ষাৎকাৰৰ ভিত্তিত অনুষ্ঠানটো প্ৰযোজনা কৰিব পৰিস্মিতা দিহিঙীয়াই।

০০০০০

সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ নীতিৰে পৰিচালিত ভাৰতে যোৱা এটা দশকত উল্লেখযোগ্য পৰিৱৰ্তনৰ সূচনা কৰিছে। আকাশবাণীৰ বাতৰি বিভাগে যোৱা ১১ বছৰে দেশৰ মূল খণ্ডসমূহত হোৱা পৰিৱৰ্তন সন্দৰ্ভত বিশেষ অনুষ্ঠান লৈ আহিছে। আজি আমি দেশৰ শক্তি বিপ্লৱৰ বিষয়ত আলোকপাত কৰিম।

যোৱা দশকত ভাৰতৰ শক্তি খণ্ডত বিভিন্ন উন্নয়ন পৰিলক্ষিত হৈছে। শক্তি খণ্ডত বৃদ্ধি পোৱা চাহিদা আন্তঃগাঁথনি উন্নয়ন আৰু গতানুগতিক তথা নবীকৰণযোগ্য শক্তিৰ উৎসৰ দ্বাৰা পৰিচালিত হৈছে।

২০২৫ চনৰ জুন মাহলৈকে দেশত মুঠ স্থাপন কৰা শক্তি ক্ষমতা ৪৭৬ গিগাৱাট আৰু ইয়াৰে প্ৰায় আধা অজীৱাশ্ম ইন্ধনৰ উৎস। নবীকৰণযোগ্য শক্তি ২২৬ গিগাৱাট হোৱাৰ ফলত ভাৰত এতিয়া সৌৰশক্তিৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতে তৃতীয় আৰু বায়ুশক্তিৰ ক্ষেত্ৰত চতুৰ্থ স্থানত আছে।

২০১৮ চনৰ এপ্ৰিল মাহলৈকে দেশৰ গ্ৰামাঞ্চল ১০০ শতাংশ বৈদ্যুতিকীকৰণ কৰা হৈছে। ইয়াৰ পাছত বিদ্যুতৰ নাটনি হ্ৰাস পাইছে আৰু জনমূৰি বিদ্যুতৰ ব্যৱহাৰ ৪৫ শতাংশলৈ বৃদ্ধি পাইছে।

**প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ** আঁচনিয়ে সমগ্ৰ দেশৰ ঘৰ পোহৰাই তোলাৰ লগতে **প্ৰধানমন্ত্ৰী কুসুম** আঁচনিৰ জৰিয়তে সৌৰশক্তি চালিত জলসিঞ্চনৰ দ্বাৰা কৃষক সৱলীকৰণ কৰা হৈছে। বায়ুশক্তি খণ্ড দুগুণতকৈ অধিক উন্নত হৈছে আৰু জলবিদ্যুৎ তথা পাৰমাণবিক শক্তিৰ ক্ষমতা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। একে সময়তে ভাৰতৰ কয়লা খণ্ডক আধুনিকীকৰণ কৰি আত্মনিৰ্ভৰশীলতা আৰু বহনক্ষমতা বৃদ্ধি কৰা হৈছে -যাৰ ফলত অভিলেখ সৃষ্টিকাৰী উৎপাদন দেশে লাভ কৰিছে। ইয়াৰ ফলত আমদানিৰ হাৰ যথেষ্ট হ্ৰাস পাইছে।

ৰাষ্ট্ৰীয় সেউজ হাইড্ৰজেন অভিযানৰ পৰা আন্তঃৰাষ্ট্ৰীয় সৌৰমিত্ৰতালৈকে ভাৰতে কেৱল শক্তিৰ প্ৰয়োজনীয়তা পূৰণ কৰাই নহয়, ই স্বচ্ছ, সেউজ ভৱিষ্যতৰ দিশত আগবাঢ়িছে।

০০০০০

দক্ষিণ শালমাৰাৰ বিভিন্ন অঞ্চল ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কবলত পৰিছে। শেহতীয়াকৈ ওৱাহাব বজাৰত বহুকেইখন ব্যৱসায়িক প্ৰতিষ্ঠান খহনীয়াৰ কবলত পৰাৰ ফলত স্থানান্তৰ কৰিবলগীয়া হৈছে। ইয়াৰ পূৰ্বেও অঞ্চলটোত খহনীয়াৰ ফলত শতাধিক পৰিয়ালৰ ঘৰ-দুৱাৰ স্থানান্তৰ কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ ফলত ফকিৰগঞ্জ-আইৰকাটা সংযোগী পথলৈও ভাবুকি আহিছে। অঞ্চলটোৰ লোকসকলে খহনীয়াৰ স্থায়ী সমাধান বিচাৰি চৰকাৰক ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাইছে।

০০০০০

গুৱাহাটীৰ হাতীগাঁও আৰক্ষীয়ে আজি হাতীগাঁৱৰ লিটল ফ্লাৱাৰ স্কুলৰ সমীপত অভিযান চলাই চাৰিজনকৈ আফগানিস্তানৰ নাগৰিকক গ্ৰেপ্তাৰ কৰে। আফগানিস্তানৰ নাগৰিক কেইগৰাকীক বৈধ নথি পত্ৰ

অবিহনে ভাৰতত বাস কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে। গ্ৰেপ্তাৰ হোৱা লোককেইজন হৈছে- অমন খান, ৰিজোৱান খান, ইউছুফ জাহিদ আৰু আছিফ ৰাণা। আৰক্ষীয়ে ধৃত আফগানৰ নাগৰিককেইজনৰ ভাড়াঘৰৰ পৰা কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ কেতবোৰ নথিপত্ৰ জব্দ কৰিছে।

০০০০০

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ নিৰ্দেশ মৰ্মে খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে জিলাখনৰ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনৰ সকলো হিতাধিকাৰীৰ E-KYC পৰীক্ষণৰ বাবে বিশেষকৈ চাহ বাগিছা অঞ্চলৰ সুলভ মূল্যৰ দোকানসমূহত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে আজি জিলাখনৰ কেইবাখনো চাহ বাগিছা অঞ্চলৰ সুলভ মূল্যৰ দোকানত E-KYC পৰীক্ষণৰ বিশেষ শিবিৰৰ আয়োজন কৰা হয়। খাদ্য আৰু অসামৰিক বিভাগে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনৰ সকলো হিতাধিকাৰীৰ অহা ৩০ জুনৰ ভিতৰত E-KYC পৰীক্ষণ সম্পূৰ্ণ কৰিবলৈ আহ্বান জনাইছে।

০০০০০

বি টি চিৰ নিৰ্বাচন ঘোষণা হোৱাৰ প্ৰাক্ক্ষণত বি টি আৰ এলেকাত ৰাজনৈতিক দলসমূহে নিজ নিজ ভেটি সুদৃঢ় কৰিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। ইয়াৰ সৈতে সংগতি ৰাখি আজি জিলাখনৰ শালবাৰীত অল্টাৰনেটিভ পাৰ্টী অব বড়োলেণ্ড - এ পি বিৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। এ পি বিৰ সভানেত্ৰী অঞ্জলী দৈমাৰীয়ে অংশগ্ৰহণ কৰা এই সভাত অনিল ব্ৰহ্মক সভাপতি আৰু বিনোদ গয়াৰীক সম্পাদক হিচাপে লৈ এখন জিলা পৰ্যায়ৰ কমিটীৰ লগতে এ পি বিৰ শালবাৰী জিলা যুৱ সমিতি, শালবাৰী ব্লক কমিটী আৰু মঠনগুৰি ব্লক কমিটী গঠন কৰা হয়।

০০০০০

চাফাই কৰ্মীসকলৰ ন্যায্য দাবী আদায়ৰ বাবে আজি শিৱসাগৰত সদৌ অসম চাফাই কৰ্মী সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰে। সংগঠনটোৰ আহ্বানত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ২০০ৰো অধিক চাফাই কৰ্মীয়ে এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। চাফাই কৰ্মীসকলৰ প্ৰাপ্য সুবিধা, দৰমহা, ভাট্টা আদি ক্ষেত্ৰত চৰকাৰী পৰ্যায়ত ব্যাপক দুৰ্নীতি চলি থকা বুলি অভিযোগ উত্থাপন কৰি চাফাই কৰ্মীসকলে এই সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ সৈতে পোনপটীয়াকৈ আলোচনা কৰাৰ ইচ্ছা প্ৰকাশ কৰে।

০০০০০

পশ্চিম কাৰ্বি আংলঙৰ জিলাখনৰ হামৰেণত থকা কাৰ্বি পৰিষদৰ শাখা সচিবালয় প্ৰাঙ্গনত কাইলৈ ৭৪ সংখ্যক কাৰ্বি পৰিষদৰ প্ৰতিষ্ঠা দিৱস পালনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শাখা সচিবালয়ৰ উপ-সচিবগৰাকীয়ে কয় যে কাৰ্বি জনগোষ্ঠীক আগুৱাই নিয়া আৰু কাৰ্বি পৰিষদৰ প্ৰতিষ্ঠাত অৱদান আগবঢ়োৱা প্ৰয়াত ব্যক্তিসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে এই অনুষ্ঠানৰ শুভাৰম্ভ কৰা হ'ব। অনুষ্ঠানত বিধায়ক ৰূপচিং টেৰণ আৰু কাৰ্বি ৰজা লংচিং ৰংহাঙো উপস্থিত থাকিব।

০০০০০

ধেমাজি জিলা ছাত্ৰ সন্থাৰ অন্যতম সক্ৰিয় আঞ্চলিক সমিতি - শ্ৰীপাণি আঞ্চলিক সন্থাৰ নৱনিৰ্মিত কাৰ্যালয়ত ভৱনটো আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। জাতীয় ছহিদসকলৰ নামত উৎসৰ্গিত ছহিদ ভৱন নামেৰে নামকৰণ কৰা এই ভৱনটো আজি সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক দীপক শৰ্মাই উদ্বোধন কৰে।

০০০০০

সমগ্ৰ দেশতে তিৰ্ছি গেং নামে পৰিচিত দুৰ্দ্ধৰ্ষ অপৰাধী চক্ৰৰ পাঁচজন সদস্যক আজি বশিষ্ঠ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। মহানগৰ আৰক্ষীয়ে গুৱাহাটীৰ কেইবাটাও স্থানত অভিযান চলাই এই সদস্যকেইজনক আটক কৰিবলৈ সমৰ্থ হয়। তেওঁলোকৰ পৰা আৰক্ষীয়ে গাড়ীৰ গ্লাছ ভঙা কাৰ্যত ব্যৱহৃত বিভিন্ন সামগ্ৰী জব্দ কৰে। উল্লেখযোগ্য যে তিৰ্ছি গেঙৰ দলটোৱে মহানগৰীৰ কামাখ্যা, চানমাৰি, পল্টন বজাৰ, পান বজাৰ আদি বিভিন্ন স্থানত ডকাইটি সংঘটিত কৰি আতংকৰ সৃষ্টি কৰি আহিছিল।

ooooo

গ্ৰন্থ অধ্যয়ন অবিহনে কোনো এটা জাতি উন্নতিৰ শিখৰত আৰোহণ কৰিব নোৱাৰে বুলি ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ অতিৰিক্ত সচিব অনিমেষ তালুকদাৰে মন্তব্য কৰিছে। পাঠশালাৰ ৰাইটাৰ্ছ ফ'ৰামৰ উদ্যোগত আজি আয়োজিত গ্ৰন্থ উন্মোচনী অনুষ্ঠানত তেওঁ এই বুলি কয়। অনুষ্ঠানত বিজনী মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সাহিত্য একাডেমী বঁটা প্ৰাপক ড০ বীৰহাস গিৰি বসুমতাৰীয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি এখন সম্ভ্ৰান্ত সমাজ আৰু সুশিক্ষিত জাতিৰ বাবে গ্ৰন্থ অধ্যয়নৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে।

ooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজত লিডছৰ হেডিংলিত অনুষ্ঠিত এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী পাঁচখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি তৃতীয় দিনা ঘৰুৱা দল ইংলেণ্ডে ৬ উইকেটৰ বিনিময়ত ৩৪৯ ৰান সংগ্ৰহ কৰি বৰ্তমান ১২২ ৰানত পিছ পৰি আছে। কালি দ্বিতীয় দিনৰ খেলৰ সমাপ্তিত ১০০ ৰান কৰি অপৰাজিত হৈ থকা ইংলেণ্ডৰ অলি প'পে আজি ১০৬ ৰানত উইকেট হেৰুৱায়। বৰ্তমান হেৰি ব্ৰুকে ৬৮ ৰান আৰু ক্ৰিছ ৱক্‌ছ ১ ৰান কৰি খেলি আছে।

ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই তিনিটা, মহম্মদ ছিৰাজে এটা, প্ৰসিদ্ধ কৃষ্ণই দুটা উইকেট দখল কৰিছে। ইয়াৰ আগেয়ে ভাৰতে ৪৭১ ৰান সংগ্ৰহ কৰি ইনিংছ সামৰে। ভাৰতৰ হৈ য়শস্বী জয়ছোৱাল, অধিনায়ক শুভমন গীল আৰু উপ-অধিনায়ক ঋষভ পণ্টে শতক অৰ্জন কৰিছে।

ooooo

সমাপ্ত